## অসম বিধান সভা

**তৰাবিহীন প্ৰশ্ন নং ঃ ১৬৪**

**উত্তৰ দিয়া তাৰিখঃ ০৯/০৭/২০২৬**

**বিষয়ঃ** সৰুপথাৰ সমষ্টিৰ অপ্ৰাদেশিকীত বিদ্যালয় সম্পৰ্কত ।

**বিধায়কৰ নামঃ** শ্ৰী বিশ্বজিৎ ফুকন

**প্ৰশ্নঃ**

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) সৰুপথাৰ সমষ্টিত সৰ্বমুঠ কিমানখন বিদ্যালয় আছে?

(খ) ইয়াৰে ভিতৰত কিমানখন প্ৰাদেশিকীত বিদ্যালয় আৰু কিমানখন অপ্ৰাদেশিকীত বিদ্যালয় আছে?

(গ) এই অপ্ৰাদেশিকীত বিদ্যালয়সমূহক প্ৰাদেশীকীকৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি?

*****************************************

**উত্তৰঃ**

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ**

**(ক)** UDISE+ 2025-26 তথ্য অনুসৰি সৰুপথাৰ সমষ্টিত সৰ্বমুঠ বিদ্যালয়ৰ সংখ্যা হৈছে ৩৭৩ খন। শ্ৰেণীভিত্তিক সবিশেষ তথ্য **অনুপত্ৰ-ক (Annexure-A)** ত সংলগ্ন কৰা হৈছে।

**(খ)** ইয়াৰে ভিতৰত ২৮১ খন বিদ্যালয় চৰকাৰী/প্ৰাদেশীকৃত আৰু ২৭ খন বিদ্যালয় অপ্ৰাদেশীকৃত (ভেনচাৰ) অৱস্থাত আছে। বিতং শ্ৰেণীভিত্তিক তথ্য **অনুপত্ৰ-ক (Annexure-A)** ত প্ৰদান কৰা হৈছে।

**(গ)** The Assam Education (Provincialization of Services of Teachers and Re-Organization of Educational Institutions) Act, 2017 ৰ আওঁতাত পৰা সকলো বিদ্যালয় ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা হৈছে। পৰৱৰ্তী সময়ত এই আইনত কিছু শিথিলতা আনি The Assam Education (Provincialization of Services of Teachers and Re-Organization of Educational Institutions) (Amendment Act, 2025) ৰ প্ৰৱৰ্তন কৰা হৈছে। ২০২৫ চনৰ এই সংশোধিত আইন অনুসাৰে চৰকাৰে ইতিমধ্যে অনলাই পৰ্টেল মুকলি কৰি সংশ্লিষ্ট বিদ্যালয়সমূহৰ পৰা আবেদন বিচাৰিছে। আবেদনসমূহৰ লাভ কৰাৰ পিছত নীতি মতে চৰকাৰে পৰীক্ষণ কৰিব ।

# অনুপত্ৰ-ক (ANNEXURE-A)

সৰুপথাৰ সমষ্টিৰ শ্ৰেণীভিত্তিক বিদ্যালয়ৰ সবিশেষ তথ্য (UDISE+ 2025-26 তথ্য অনুসৰি)

| বিদ্যালয়ৰ স্তৰ | চৰকাৰী / প্ৰাদেশীকৃত | ব্যক্তিগত খণ্ড | অপ্ৰাদেশীকৃত (ভেনচাৰ) | মুঠ বিদ্যালয় |
|---|---|---|---|---|
| নিম্ন প্ৰাথমিক | ১৯৮ | ৩ | ৯ | ২১০ |
| উচ্চ প্ৰাথমিক | ৫৬ | ৩৪ | ৮ | ৯৮ |
| মাধ্যমিক | ১৯ | ২৪ | ৯ | ৫২ |
| উচ্চতৰ মাধ্যমিক | ৮ | ৪ | ১ | ১৩ |
| মুঠ | ২৮১ | ৬৫ | ২৭ | ৩৭৩ |